NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশৰ বিমান পৰিবন খণ্ড আমূল পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে আৰু ইয়াৰ ফলত জনসাধাৰণৰ বাবে যাত্ৰা সুচল হৈ পৰিছে।

২। চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ দেহাৱসান ঘটিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

৩। আয়ুষ মন্ত্ৰ্যালয়ে বিশেষ অভিযানৰ তৃতীয় পৰ্যায়ৰ অধিনত এহেজাৰ ৩০০ৰো অধিক ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি কৰিছে।

৪। বিজ্ঞান আৰু প্ৰযুক্তিৰ ৰাজ্য মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি কৈছে যে ভাৰতে জৈৱ-প্ৰযুক্তি ভিত্তিক জৈৱ বিপ্লৱৰ বাবে ৰোমাঞ্চকৰ সময়ৰ সূচনা কৰিছে।

***আৰু***

৫। ভাৰতে আজি পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ এখন খেলত কোৰিয়াক ৩-১ গলত পৰাস্ত কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, দেশৰ বিমান পৰিবহন খণ্ড আমূল পৰিৱৰ্তনৰ মাজেৰে অগ্ৰসৰ হৈছে আৰু ইয়াৰ ফলত জনসাধাৰণৰ বাবে যাত্ৰা সুচল হৈ পৰিছে আৰু যোগাযোগ ব্যৱস্থাও উন্নত হৈছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত অসামৰিক বিমান পৰিবহন বিষয়ক এছিয়া প্ৰশান্ত মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয় সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে সন্মিলনত অংশগ্ৰহণ কৰা সদস্য ৰাষ্ট্ৰসমূহে দিল্লী ঘোষণা পত্ৰ গ্ৰহণ কৰাৰ কথা ঘোষণা কৰে। এই ঘোষণাপত্ৰ, অঞ্চলটোৰ বিমান পৰিবহন খণ্ডক নতুন শিখৰলৈ লৈ যোৱাৰ দূৰদৰ্শী পৰিকল্পনা ৰূপে বিবেচিত হৈছে।

অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন নায়ডুৱে কালি নতুন দিল্লীত এই সন্মিলন উদ্বোধন কৰে। শ্ৰী নায়ডুক অসামৰিক বিমান পৰিবহন বিষয়ক এছিয়া প্ৰশান্ত মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয় সন্মিলনৰ অধ্যক্ষ নিৰ্বাচিত কৰা হয়। এই উপলক্ষে শ্ৰী নায়ডুৱে ২০৩৫ বৰ্ষলৈকে বছৰি ৩৫০ কোটি যাত্ৰীৰ আহ-যাহ সুগম কৰি তোলাৰ উদ্দেশ্যে এছিয়া প্ৰশান্ত বিমান পৰিবহন আন্তঃগাঁথনিৰ কৌশলগত বিনিয়োগৰ বাবে আহ্বান জনায়। ভাৰতে ২০২৫ চন পৰ্যন্ত বিমান পৰিবহন কাৰ্যবাহিনীত মহিলাৰ অংশগ্ৰহণ ২৫ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

চি পি আই এমৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীৰ আজি নতুন দিল্লীৰ অখিল ভাৰতী আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত দেহাৱসান ঘটে। নেতাগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। চি পি আই এমৰ তৰফৰ পৰা জাৰি কৰা এটা বিবৃতিত এই বুলি কোৱা হৈছে যে শনিবাৰে দিনৰ ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ প্ৰয়াত য়েচুৰীৰ মৃতদেহ নতুন দিল্লীৰ গোল মাৰ্কেটস্থিত দলৰ মুখ্য কাৰ্যালয় এ কে গোপালন ভৱনত জনসাধাৰণৰ দৰ্শন আৰু শেষ শ্ৰদ্ধা নিবেদনৰ বাবে ৰখা হ'ব। ইয়াৰ পাছতে নেতাগৰাকীৰ মৃতদেহ তেওঁৰ ইচ্ছা অনুসৰি চিকিৎসা গৱেষণাৰ বাবে দান কৰাৰ বাবে অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানলৈ নিয়া হ'ব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, সীতাৰাম য়েচুৰী এগৰাকী ছাত্ৰ নেতা আৰু সাংসদ হিচাপে ৰাষ্ট্ৰীয় ৰাজনীতিত প্ৰভাৱশালী আৰু প্ৰৱল কণ্ঠ আছিল। নিৰ্দিষ্ট আদৰ্শৰ প্ৰতি সমৰ্পিত হোৱা স্বত্বেও দল-মত নিৰ্বিশেষে অলেখজনৰ সৈতে প্ৰয়াত য়েচুৰীৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। ৰাষ্ট্ৰপতি গৰাকীয়ে লগতে য়েচুৰীৰ পৰিয়াল আৰু সতীৰ্থসকললৈ সমবেদনা প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কয় যে, য়েচুৰী বাওঁপন্থীসকলৰ বাবে অগ্ৰনী অলোকস্তম্ভস্বৰূপ আছিল আৰু দল-মত নিৰ্বিশেষে বিভিন্নজনৰ সৈতে যোগসূত্ৰ স্থাপনৰ সামৰ্থৰ বাবে তেওঁ বিশেষভাৱে জনাজাত আছিল। চি পি আই এমৰ সাধাৰণ সম্পাদকগৰাকীয়ে এগৰাকী প্ৰভাৱশালী সাংসদ হিচাপে চাপ এৰি থৈ গৈছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে দুখৰ এই মুহূৰ্তত য়েচুৰীৰ পৰিয়াল আৰু অনুৰাগীসকললৈ সমবেদনা প্ৰকাশ কৰিছে।

একেদৰে গৃহমন্ত্ৰী অমিত শ্বাহে সামাজি মাধ্যম যোগে য়েচুৰীৰ মৃত্যুক ৰাজনৈতিক জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে নেতাগৰাকীৰ পৰিয়ালৰ সদস্য আৰু বন্ধুবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰে। কথোপকথনত শ্ৰী মোদীয়ে এই ক্ৰীড়া মহোৎসৱত পদক জয় কৰা আৰু অংশগ্ৰহণ কৰা খেলুৱৈসকলক অভিনন্দন জনায়। ভাৰতে এইবাৰৰ পেৰালিম্পিকত ৭টা সোণ, ৯টা ৰূপ আৰু ১৩ টা ব্ৰঞ্জসহ মুঠ ২৯ টা পদক লাভ কৰি সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে। ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু ভাৰতীয় পেৰালিম্পিক কমিতিৰ অধ্যক্ষ দেৱেন্দ্ৰ ঝাঝৰিয়াও এই কথোপকথনত উপস্থিত আছিল।

০০০০০০০

আয়ুষ মন্ত্ৰালয়ে বিশেষ অভিযানৰ তৃতীয় পৰ্যায়ৰ অধিনত এহেজাৰ ৩০০ৰো অধিক ৰাজহুৱা ওজৰ আপত্তি নিষ্পত্তি কৰিছে। মন্ত্ৰালয়ে কৈছে যে কৰ্মক্ষেত্ৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা বৰ্তাই ৰখাই এই অভিযানৰ মূল উদ্দেশ্য। অভিযানৰ সময়ছোৱাত সাংসদসকলৰ লগতে বিভিন্নজনে উত্থাপন কৰা ১৮৬ টা ওজৰ-আপত্তি অন্যতম।

মন্ত্ৰালয়ে সম্প্ৰতি বিশেষ অভিযানৰ চতুৰ্থ পৰ্যায়ৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। এই পৰ্যায়ত সকলো বিষয়া-কৰ্মচাৰীক শপতৰ মাধ্যমেৰে পৰিষ্কাৰ আৰু আৱৰ্জনামুক্ত ভাৰত গঢ়াৰ কাম কৰিবলৈ অনুপ্ৰাণিত কৰা হ'ব।

০০০০০০০

বিজ্ঞান আৰু প্ৰযুক্তিৰ ৰাজ্য মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি কৈছে যে ভাৰতে জৈৱ-প্ৰযুক্তি ভিত্তিক জৈৱ বিপ্লৱৰ বাবে ৰোমাঞ্চকৰ সময়ৰ সূচনা কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি গোলকীয় জৈৱ ভাৰত ২০২৪ত ভাষণ দি শ্ৰী সিঙে কয় যে, এসময়ত পশ্চিমীয়া বিশ্ব তথ্য-প্ৰযুক্তি বিপ্লৱে জৈৱ বিপ্লৱে সেই একেই প্ৰভাৱ পেলাব পাৰে। গোলকীয় ভাৰত ২০২৪ৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে কয় যে ই মন্ত্ৰালয়, ৰাজ্য চৰকাৰ, ষ্টাৰ্ট আপ, গৱেষক, বিনিয়োগৰাকী, আন্তঃৰাষ্ট্ৰীয় সংস্থা নীতি নিৰ্ধাৰক আৰু উদ্যোগৰ নেতা আদিৰ বাবে ব্যৱসায়িক নেটৱৰ্কৰ মঞ্চ হিচাপে কাম কৰিব। ৩০ খনৰো অধিক দেশৰ ৫০০ৰো অধিক প্ৰদৰ্শনীয়ে উদ্ভাৱনীমূলক ধাৰণাৰ অংশীদাৰিত্ব প্ৰদানত সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

বিজেপিয়ে ডায়মণ্ড হাৰ্বৰ এলেকাত যোৱা নিশা এগৰাকী জিলা ন্যায়াধীশৰ কোৱাৰ্টাৰৰ বাহিৰত একাংশ অনাধিকাৰ প্ৰৱেশকাৰীয়ে ঘূৰা-ফুৰা কৰি থকাৰ ঘটনাক লৈ পশ্চিমবংগ চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত দলৰ মুখপাত্ৰ সম্বিত পাত্ৰাই পশ্চিমবংগ চৰকাৰে ন্যায়পালিকাৰ সুৰক্ষাৰ সৈতে আপোচ কৰা বুলি অভিযোগ তোলে। তৃণমূল কংগ্ৰেছে ৰাজ্যখনত ন্যায়পালিকাক দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। মুখপাত্ৰগৰাকীয়ে লগতে হিমাচল প্ৰদেশ আৰু কৰ্ণাটকত সাম্প্ৰদায়িক সংঘৰ্ষ ৰোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। দলটোৱে তোষামোদৰ ৰাজনীতি কৰা বুলি তেওঁ অভিযোগ কৰে।

০০০০০০০

হাৰিয়ানা বিধানসভাৰ একক পৰ্যায়ৰ আৰু জম্মু-কাশ্মীৰৰ তৃতীয় তথা অন্তিম পৰ্যাৰ বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ আজি বিয়লি সামৰণি পৰে। মনোনয়ন সমূহ কাইলৈ পৰীক্ষা কৰা হ'ব। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে ১৬ ছেপ্তেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ৯০ জনীয়া হাৰিয়ানা বিধানসভাৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। আনহাতে জম্মু-কাশ্মীৰৰ তৃতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ১৭ ছেপ্তেম্বৰ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। এই পৰ্যায়ত এক অক্টোবৰত কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ ৪০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

অহা বছৰ গণৰাজ্য দিৱসৰ দিনা ঘোষণা কৰিবলগীয়া পদ্ম সন্মানৰ বাবে ১৫ ছেপ্তেম্বৰলৈকে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া খোলা থাকিব। এই প্ৰক্ৰিয়া ইতিমধ্যে পহিলা মে'ত আৰম্ভ হৈছে। এই সন্মানৰ বাবে অকল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in যোগে দাখিল কৰা মনোনয়নহে গ্ৰহণ কৰা হ'ব। মনোনয়নৰ সৈতে মনোনীত ব্যক্তিগৰাকীৰ ক্ষেত্ৰ, অসাধাৰণ সাফল্য, প্ৰাসংগিক সকলো তথ্য দাখিল কৰিব লাগিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ভাৰতে আজি চীনৰ হুলুনবুইৰত অনুষ্ঠিত পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ এখন খেলত কোৰিয়াক ৩-১ গলত পৰাস্ত কৰি প্ৰতিযোগিতাত একেৰাহে চতুৰ্থ বিজয় সাব্যস্ত কৰে। খেলখনত ভাৰতৰ হৈ অৰিজিত সিং হুন্দল আৰু অধিনায়ক হৰমন প্ৰীত সিঙে গল দিয়ে। ইয়াং জিহুৱানে কোৰিয়াৰ হৈ একমাত্ৰ গলটো দিয়ে। ভাৰতে ইতিমধ্যে প্ৰথন তিনিখন খেলত চীন, জাপান আৰু মালয়েছিয়াক পৰাস্ত কৰি প্ৰতিযোগিতাৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰত পৰহিলৈ হ'বলগীয়া লীগ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত পাকিস্তনৰ সন্মুখীন হ'ব।

৬ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা ৰাউণ্ড ৰবীন ফৰমেটত অনুষ্ঠিত হৈছে। ৰাউণ্ড ৰবীন পৰ্যায়ৰ অন্তত শীৰ্ষ স্থান দখল কৰা চাৰিটা দলৰ মাজত ১৬ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল অনুষ্ঠিত হ'ব। ১৭ ছেপ্তেম্বৰত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত